কৰ্ম মোৰ সংস্কৃতি

# অসম জাতীয় বিদ্যালয়
Assam Jatiya Bidyalay
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020

☏: 0361-2557921 (Principal)
0361-2654229 (Office)

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com

প্ৰসংগ : অজাবি/০০৯/৩৩/২০২৩-২৪
Ref :

তাৰিখ : ২৬-০১-২০২৪
Date :

## অসম জাতীয় বিদ্যালয়ত ৭৫সংখ্যক গণৰাজ্য দিৱস উদ্‌যাপন

**নুনমাটি, গুৱাহাটী, ২৬ জানুৱাৰী ঃ** দেশৰ ৭৫সংখ্যক গণৰাজ্য দিৱস আজি নুনমাটিৰ অসম জাতীয় বিদ্যালয়তো উদ্‌যাপন কৰা হয়। পুৱা ৭.৩০ বজাত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধিয়ে। পতাকা উত্তোলনৰ পাছত বিদ্যালয়ৰ অধ্যক্ষ গৰাকীয়ে ভাৰতৰ স্বাধীনতা আন্দোলনৰ ইতিহাস সম্পৰ্কে এক চমু ভাষণ আগবঢ়ায়। ভাষণ প্ৰসংগত তেওঁ গণৰাজ্য দিৱসৰ গুৰুত্ব উপলব্ধি কৰিবলৈ সকলোকে আহ্বান জনায়। গণৰাজ্য দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰে ইংৰাজী বিভাগৰ শিক্ষক জয়ন্ত ডেকাই। বিদ্যালয়ৰ পঞ্চম শ্ৰেণীৰ শিক্ষাৰ্থী ৰাগিণী কাশ্যপে একক গীত পৰিবেশন কৰে। নৱম শ্ৰেণীৰ শিক্ষাৰ্থী বিশাল চৌধুৰীয়ে ‘ভাৰতৰ স্বাধীনতা সংগ্ৰামত অসমীয়া নাৰীৰ ভূমিকা’ শীৰ্ষক চমু বক্তব্য আগবঢ়ায়। ষষ্ঠ শ্ৰেণীৰ প্ৰাকৃষ্ট বৰাই এককভাৱে তবলাবাদনৰ অনুষ্ঠান পৰিবেশন কৰে। সমাজ বিজ্ঞান বিভাগৰ জ্যেষ্ঠ শিক্ষক অসীম কৃষ্ণ বৰুৱাই গণৰাজ্য দিৱসৰ প্ৰাসংগিকতা ব্যাখ্যা কৰি কয় যে গণতন্ত্ৰ হৈছে মানুহে চিন্তা কৰিব পৰা সৰ্বোৎকৃষ্ট কথা। নিজৰ লগতে আনকো সমান বুলি ভাবিব পৰা কথাটোৱেই মানুহৰ শ্ৰেষ্ঠ চিন্তা বুলিও তেওঁ ভাষণ প্ৰসংগত উল্লেখ কৰে। আজিৰ অনুষ্ঠানত বিদ্যালয়ৰ একাংশ শিক্ষাৰ্থীয়ে দলীয় নৃত্য পৰিবেশন কৰে। গণৰাজ্য দিৱসৰ সমগ্ৰ অনুষ্ঠানটোৰ আঁত ধৰে বিদ্যালয়ৰ অসমীয়া বিভাগৰ শিক্ষক দোলন বৰাৰ লগতে নৱম শ্ৰেণীৰ শিক্ষাৰ্থী নয়নিকা মজুমদাৰ আৰু জ্যোতিৰ্ময় দাসে। সমাজ বিজ্ঞান বিভাগৰ শিক্ষয়িত্ৰী ৰুণুমী কলিতাই শলাগৰ শৰাই আগবঢ়ায়। গণৰাজ্য দিৱসৰ আহ্বায়কৰ দায়িত্বত আছিল ইংৰাজী বিভাগৰ শিক্ষক গোপেন বৰ্মন।

(ঘনশ্যাম মেধি)
অসম জাতীয় বিদ্যালয়
নুনমাটি, গুৱাহাটী-৭৮১০২০

অসম জাতীয় বিদ্যালয়
Assam Jatiya Bidyalay
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020

কৰ্ম মোৰ সংস্কৃতি

☎: 0361-2557921 (Principal)
0361-2654229 (Office)

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com

প্ৰসংগ :
*Ref :* AJB/009/33/2023-24

তাৰিখ :
*Date* : 26-01-2024

# The 75th Republic Day observed at Assam Jatiya Bidyalay, Noonmati.

**Noonmati, Guwahati, 26 January :** The 75th Republic Day was observed with great esteem and pride at Assam Jatiya Bidyalay, Noonmati.The ceremony began with the unfurling of the National Flag by the principal, Ghanashyam Medhi. It was followed by the National Anthem to pay tribute to the nation. The principal apprised the gathering about the making of the Indian Constitution, its unique features and facts and that each and every citizen of the country should be aware of our Constitution. A patriotic song was sung by a group of students creating a patriotic fervour. An edifying speech on the history and importance of Republic Day and on Constitutional Rights & Duties was delivered by Jayanta Deka, a senior faculty of the English department. The celebration also included speeches and various cultural programmes to commemorate the day. A senior faculty of the Social Science department, Ashim Krishna Baruah, presented an illuminating talk on the genesis of the Republic Day and emphasized its importance. The occasion came to an end with a vote of thanks by Runumi Kalita, a faculty of the Social Science department. The overall in-charge of the programme was Gopen Barman, a faculty of the English department. All the teachers, members of the school management committee including the Secretary, students and parents attended the programme.

Ghanashyam Medhi
(Ghanashyam Medhi)
Principal
Assam Jatiya Bidyalay